# ২০২৫-২০২৬ বৰ্ষৰ ভলীবল শাখাৰ বাৰ্ষিক প্ৰতিবেদন ঃ

নগাঁওঁ ক্ৰীড়া সংস্থাৰ সাধাৰণ সভাৰ সকলো সদস্যলৈ মোৰ আন্তৰিক শুভেচ্ছা জনাই ভলীবল শাখাৰ বাৰ্ষিক প্ৰতিবেদন আগবঢ়ালো।

এই বৰ্ষত নগাওঁ ক্ৰীড়া সংস্থাৰ ভলীবল শাখাৰ দ্বাৰা ল'ৰা আৰু ছোৱালী উভয় শাখাতে ফ্ৰেব্ৰুৱাৰী মাহত পোন্ধৰদিনীয়া স্কুলৰ ল'ৰা আৰু ছোৱালীৰ প্ৰশিক্ষণ শিৱিৰৰ আয়োজন কৰি প্ৰশিক্ষণ দিয়া হয়। শিৱিৰটোত প্ৰশিক্ষণ প্ৰদান কৰে এন. আই. এছ. প্ৰশিক্ষক শ্ৰীমতী কান্তা সাহানি আৰু নগাওঁ জিলাৰ ৰাজ্যিক চিনিয়ৰ খেলুৱৈ শ্ৰীমতী মিনা দাস ভট্টাচাৰ্য্য। এই প্ৰশিক্ষণ শিৱিৰৰ পৰা বাছনি কৰি আন্তঃজিলা ভলীবল প্ৰতিযোগিতালৈ নগাওঁ জিলা দল গঠন কৰা হয়।

গোৱালপাৰাৰ জিলাৰ মানকাছাত এই বছৰ ২০২৫-২৬ বৰ্ষত অনুষ্ঠিত হোৱা সদৌ অসম আন্তঃজিলা জুনিয়ৰ ল'ৰা আৰু ছোৱালী ভলীবল প্ৰতিযোগিতাত নগাঁৱৰ দলে যোগদান কৰি উন্নত খেল প্ৰদৰ্শন কৰে আৰু ল'ৰা আৰু ছোৱালী দুয়োটা দলেই কোৱাৰ্টাৰ ফাইনেললৈকে খেলিছিল।

শিৱসাগৰ জিলাত এই ২০২৬ বৰ্ষত অনুষ্ঠিত হোৱা সদৌ অসম আন্তঃজিলা ছিনিয়ৰ মহিলা ভলীবল প্ৰতিযোগিতাত নগাঁও দলে যোগদান কৰি সুন্দৰ খেল প্ৰদৰ্শন কৰিছিল আৰু উক্ত প্ৰতিযোগিতাত আমাৰ দলটিয়ে কোৱাৰ্টাৰ ফাইনেল খেলত উপনীত হৈছিল।

এই বৰ্ষত নগাঁও ক্ৰীড়া সংস্থাত অনুষ্ঠিত হোৱা পঞ্চম বজৰংলাল নাহাতা সোঁৱৰণী ক্ৰীড়া সপ্তাহ আন্তঃক্লাব ভলীবল লীগত পুৰুষ শাখাত ৮ টা দলে অংশগ্ৰহণ কৰে আৰু মহিলা শাখাত ছটা দলে অংশগ্ৰহণ কৰে। পুৰুষ শাখাত ৰেডিয়েল ক্লাবে বিজয়ীৰ সন্মান অৰ্জন কৰাৰ লগতে লাইফ লাইন ক্লাবে ৰাণাৰ-আপ আৰু ত্ৰিনয়ন গোষ্ঠীয়ে তৃতীয় স্থান লাভ কৰে। সেইদৰে মহিলা শাখাত নগাঁও টাউন ক্লাবে বিজয়ীৰ সন্মান লাভ কৰাৰ লগতে লাইফ লাইন ক্লাবে ৰাণাৰ-আপ আৰু ত্ৰিনয়ন গোষ্ঠীয়ে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়।

নগাঁও ক্ৰীড়া সংস্থাৰ খেলপথাৰত ভলীবল শাখাৰ নিয়মীয়া প্ৰশিক্ষণ সুচাৰুৰূপে চলি আছে আৰু এই প্ৰশিক্ষণত ল'ৰা আৰু ছোৱালী উভয় শাখাতে এন. আই. এছ. প্ৰশিক্ষক শ্ৰীমতী কান্তা সাহানি ও নগাওঁ জিলাৰ ৰাজ্যিক চিনিয়ৰ খেলুৱৈ শ্ৰীমতী মিনা দাস ভট্টাচাৰ্য্যয়ে নিয়মীয়া প্ৰশিক্ষণ দি আছে।

সৰ্ব্বশেষত, এই শাখাটি চলাই নিয়াত নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি, সাধাৰণ সম্পাদক প্ৰমুখ্যে সকলো বিষয়ববীয়া ও কাৰ্য্যনিৰ্বাহকৰ সদস্যৰ দিহা-পৰামৰ্শৰে সহায় আৰু সহযোগিতা আগবঢ়োৱাৰ বাবে সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ জনাই এই বাৰ্ষিক প্ৰতিবেদনৰ সামৰণি মাৰিছো।

**প্ৰশান্ত কুমাৰ দাস**
শাখা সম্পাদক, ভলীবল
নগাওঁ ক্ৰীড়া সংস্থা
নগাঁও ঃঃ অসম।

**'জয়তু নগাঁও ক্ৰীড়া সংস্থা'।**